আল্লাহে নিৰ্ধাৰণ কৰা দণ্ডবিধিৰ বাহিৰে, বেলেগ কোনো ক্ষেত্ৰতে দহটাতকৈ অধিক বেত্ৰাঘাত কৰা উচিত নহয়।

আবু বুৰদা আল-আনচাৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, তেওঁ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছে, তেখেতে কৈছেঃ "আল্লাহে নিৰ্ধাৰণ কৰা দণ্ডবিধিৰ বাহিৰে, বেলেগ কোনো ক্ষেত্ৰতে দহটাতকৈ অধিক বেত্ৰাঘাত কৰা উচিত নহয়।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত কাৰোবাক দহটাতকৈ অধিক বেত্ৰাঘাত কৰিবলৈ নিষেধ কৰিছে, কেৱল গুনাহৰ বাহিৰে। চৰীয়তে বিভিন্ন সীমালংঘনৰ ক্ষেত্ৰত নিৰ্ধাৰণ কৰা নিৰ্দিষ্ট বেত্ৰাঘাত বা নিৰ্দিষ্ট শাস্তি ইয়াৰ অন্তৰ্ভুক্ত নহয়। ইয়াত বুজোৱা হৈছে যে, শাসনমূলক শাস্তিৰ ক্ষেত্ৰত দহটাতকৈ অধিক বেত্ৰাঘাত কৰা উচিত নহয়। যেনে- স্ত্ৰী বা সন্তান-সন্ততিক দিয়া শাসনমূলক শাস্তি।

http://sunnah.global/hadeeth/as/show/2987